# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
# Krishna Kanta Handiqui State Open University
Guwahati - 781 017

**Dr. Mrinal Jyoti Goswami**
Assistant Professor, Assamese

Patgaon, Rani Gate
Guwahati, Kamrup (M)
Assam - 781 017


Ref:

Date: ২১-১০-২০১৬

**প্ৰতি,**
মাননীয় সমন্বয়ক
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ

**বিষয় ঃ বিশ্ববিদ্যালয়ে আয়োজন কৰিব খোজা সংগীত প্ৰতিযোগিতা সম্পৰ্কে**

শ্ৰদ্ধেয় মহাশয়/মহাশয়া,

আন্তৰিক শ্ৰদ্ধা গ্ৰহণ কৰিব। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত অধ্যয়ন কেন্দ্ৰসমূহৰ ঐকান্তিক সহযোগিতা আৰু সদ্ভাৱৰ বাবেই আজিৰ এই অৱস্থাত উপনীত হৈছিহে। বিশ্ববিদ্যালয়ে ইয়াত অধ্যয়নৰত শিক্ষাৰ্থীসকলক একগোট কৰি সমূহ শিক্ষাৰ্থীৰ মাজত সমন্বয় আৰু সহযোগিতাৰ ভাব বৃদ্ধি কৰিবলৈকে যোৱা বছৰৰ পৰা এখনি বাৰ্ষিক সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰিবলৈ লৈছে। যোৱা বছৰ **'জ্যোতি সংগীত'**ৰ প্ৰতিযোগিতাৰে এই সংগীত প্ৰতিযোগিতাখনিৰ শুভাৰম্ভ কৰা হৈছিল। এই বছৰো **১১ ডিচেম্বৰত অয়োজিত হ'বলগীয়া বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি** বাৰ্ষিক সংগীত প্ৰতিযোগিতাখনি **৪ ডিচেম্বৰ** তাৰিখে আয়োজন কৰিবলৈ মনস্থ কৰা হৈছে। **গুৱাহাটী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত** অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে এইবাৰ বিষয় নিৰ্বাচন কৰা হৈছে অসমৰ আন এগৰাকী সংগীতজ্ঞ কলাগুৰু **বিষ্ণুপ্ৰসাদ ৰাভাদেৰৰ** গীত।

এই পত্ৰৰ লগত প্ৰতিযোগিতাৰ সম্পূৰ্ণ নিয়মাৱলীৰ লগতে যোগদানৰ প্ৰ-পত্ৰ সংলগ্ন কৰি দিয়া হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে **নৱেম্বৰ মাহৰ ২৮** তাৰিখৰ ভিতৰত নিৰ্দিষ্ট প্ৰ-পত্ৰসমূহ পূৰণ কৰি অধ্যয়ন কেন্দ্ৰৰ দ্বাৰা প্ৰত্যায়িত কৰি তলত উল্লেখ কৰা ঠিকনালৈ প্ৰেৰণ কৰিব লাগিব। প্ৰত্যায়িত প্ৰতিলিপি স্কেন কৰিও ইমেইল কৰিব পাৰিব। এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আপোনালোকৰ অধ্যয়ন কেন্দ্ৰৰ পৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক প্ৰতিযোগীক প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালোঁ।

পুনৰ আপোনাৰ সক্ৰিয় সহযোগিতাৰ আশাৰে, ধন্যবাদ সহকাৰে —

ইতি,
আপোনাৰ প্ৰীতিভাজনেষু

(মৃণাল জ্যোতি গোস্বামী)
আহ্বায়ক, অনুষ্ঠান ব্যৱস্থাপনা সমিতি


***যোগাযোগৰ ঠিকনা***
ডং মৃণাল জ্যোতি গোস্বামী
সহকাৰী অধ্যাপক, অসমীয়া
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউচফেড কমপ্লেক্স, লাষ্ট গেট, দিশপুৰ
গুৱাহাটী — ৭৮১ ০০৬, অসম
ভ্ৰাম্যভাষ ঃ ০৯৪৩৫০-১৬৮৪০
email: mrinaljyoti@gmail.com

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
**Krishna Kanta Handiqui State Open University**
Guwahati - 781 017

## বিষ্ণু ৰাভাৰ গীত — প্ৰতিযোগিতাৰ প্ৰ-পত্ৰ

- অধ্যয়ন কেন্দ্ৰৰ নাম ঃ ..........................................................................
- প্ৰতিযোগীৰ নাম ঃ ..........................................................................
- যোগাযোগৰ সম্পূৰ্ণ ঠিকনা ঃ ..........................................................................

  ..........................................................................

  পো. অ ঃ ............................................................

  জিলা ঃ ..............................................................

  ডাক সূচাংক ঃ ..................................................
- ভ্ৰাম্যভাষ/ফোন নম্বৰ ঃ ..........................................................................
- অধ্যয়ন কৰি আছে ঃ বিপিপি/স্নাতক/স্নাতকোত্তৰ/ডিপ্ল'মা/............
- বৰ্ষ/ষাণ্মাসিক ঃ ..........................................................................
- নামভৰ্ত্তিৰ পঞ্জীয়ন নম্বৰ ঃ ..........................................................................
- গাব বিচৰা গানটোৰ শিৰোনাম ঃ ..........................................................................
- গাব বিচৰা গানটোৰ স্কেল ঃ ..........................................................................
- বাদ্যযন্ত্ৰী নিজে লৈ আনিব/নানে ঃ ..........................................................................

মই শ্ৰী..........................................................................-এ ইয়াৰ দ্বাৰা ঘোষণা কৰোঁ যে, উল্লিখিত সকলোখিনি তথ্য সঁচা আৰু শুদ্ধ। মই লগতে ইয়াৰ দ্বাৰা বিশ্ববিদ্যালয়ে আয়োজন কৰা সংগীত প্ৰতিযোগিতাৰ সকলোখিনি নিয়মাৱলী মানি চলি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিম বুলি সন্মতি প্ৰদান কৰিলোঁ।

অংশগ্ৰহণকাৰীৰ স্বাক্ষৰ

প্ৰত্যায়িত কৰা হ'ল —

(অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কৰ
স্বাক্ষৰ আৰু মোহৰ)

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

# Krishna Kanta Handiqui State Open University

Guwahati - 781 017


## বিষ্ণু ৰাভাৰ গীত — প্ৰতিযোগিতাৰ নিয়মাৱলী

- এই প্ৰতিযোগিতাত কেৱল বিশ্ববিদ্যালয়ৰ যিকোনো পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীয়েহে অংশগ্ৰহণ কৰিব পাৰিব।
- এটা অধ্যয়ন কেন্দ্ৰৰ পৰা সৰ্বাধিক **২ জন** প্ৰতিযোগীয়েহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।
- অংশগ্ৰহণকাৰী সকলৰ মাজৰ পৰা বিচাৰকসকলে প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰতিযোগীৰ লগতে দুজনক উদ্‌গণিমূলক বঁটা প্ৰদান কৰিব।
- প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ এনেধৰণৰ —

  *প্ৰথম পুৰস্কাৰ ঃ* এখন অভিধান, এখন মানপত্ৰ আৰু নগদ ২৫,০০০/- টকা।

  *দ্বিতীয় পুৰস্কাৰ ঃ* এখন অভিধান, এখন মানপত্ৰ আৰু নগদ ১৫,০০০/— টকা।

  *তৃতীয় পুৰস্কাৰ ঃ* এখন অভিধান, এখন মানপত্ৰ আৰু নগদ ১০,০০০/— টকা।

  *দুটা উদ্‌গণিমূলক পুৰস্কাৰ ঃ* এখন মানপত্ৰ আৰু নগদ ৫,০০০/— টকা।
- প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলক অহা-যোৱা আৰু থকা-খোৱাৰ বাবদ বিশ্ববিদ্যালৰ তৰফৰ পৰা কোনো ধৰণৰ মাননি প্ৰদান কৰা নহ'ব। অৱশ্যে প্ৰতিযোগিতাৰ দিনা ৰাতিপুৱা আৰু আবেলিৰ চাহ তথা দুপৰীয়া আহাৰৰ ব্যৱস্থা কৰা হ'ব।
- প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰাসকলে নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে প্ৰত্যায়িত কৰি **নৱেম্বৰ মাহৰ ২৮ তাৰিখৰ** ভিতৰত বিশ্ববিদ্যালয় পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। নৱেম্বৰ মাহৰ ২৮ তাৰিখৰ পিছত আহি পোৱা কোনো প্ৰ-পত্ৰ প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা নহ'ব। **প্ৰ-পত্ৰৰ লগতে বিশ্ববিদ্যালয়ৰ নামভৰ্তিৰ পঞ্জীয়ন পত্ৰ** (Registration Card)**খনৰ প্ৰতিলিপিও অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কৰ দ্বাৰা প্ৰত্যায়িত কৰি সংলগ্ন কৰি পঠিয়াব লাগিব। অন্যথা তেখেতক প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা নহ'ব।**
- বিশ্ববিদ্যালয়ৰ ৱেব চাইট www.kkhsou.in-ত **১ ডিচেম্বৰ** তাৰিখে প্ৰতিযোগিতাৰ বাবে বিবেচিত প্ৰতিযোগীসকলৰ নাম ঘোষণা কৰা হ'ব। নিৰ্বাচিত প্ৰতিযোগীসকলে তেওঁলোকৰ লগত কেৱল মাত্ৰ এগৰাকী অভিভাৱকহে আনিব পাৰিব। অৱশ্যে, যিসকল প্ৰতিযোগীয়ে নিজাকৈ বাদ্যযন্ত্ৰী লৈ আনিব খোজে, তেখেতসকলে সৰ্বাধিক চাৰিগৰাকী (অভিভাৱক সহিতে) ব্যক্তি সহযোগী হিচাপে আনিব পাৰিব।
- প্ৰতিযোগিতা **ডিচেম্বৰ মাহৰ প্ৰথমটো দেওবাৰ, ৪ তাৰিখে গুৱাহাটী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত** অনুস্থিত হ'ব। প্ৰতিযোগীসকল পুৱা ৯.৩০-১০.০০ বজাৰ ভিতৰত নিৰ্ধাৰিত স্থানত উপস্থিত হ'ব লাগিব আৰু প্ৰ-পত্ৰৰ লগত পঠিওৱা **নামভৰ্তিৰ পঞ্জীয়ন পত্ৰখনৰ** সত্যাসত্য নিৰূপণ (verification) কৰোৱাই ল'ব লাগিব।
- প্ৰতিযোগিতা দিনৰ ১০.৩০ বজাৰ পৰা আৰম্ভ হ'ব আৰু সেইদিনাই বিয়লি ভাগত বিজয়ীসকলৰ নাম ঘোষণা কৰি পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব।
- প্ৰতিযোগিতাত এটা গান গাবৰ বাবে সৰ্ব্বোচ্চ ৫ মিনিট সময় প্ৰদান কৰা হ'ব।
- প্ৰতিযোগিতাত এটা গান নিজাববীয়াকৈ নিৰ্বাচন কৰি পৰিৱেশন কৰাৰ লগতে তলত উল্লেখ কৰা গান কেইটাৰ ভিতৰত লটাৰী যোগে নিৰ্বাচন কৰি আৰু এটা গান পৰিৱেশন কৰিব লাগিব। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে প্ৰতিযোগীসকলে নিজাবাবীয়াকৈ নিৰ্বাচন কৰা গানটো তলত উল্লেখ কৰা গান কেইটাৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰিব।

  *ক) কিবা যেন আজি নাই*

  *খ) বিশ্বৰ ছন্দে ছন্দে*

  *গ) আজি মন্দিৰ দুৱাৰ খোলা*

  *ঘ) সুৰৰে দেউলৰে*

  *ঙ) হে বিপ্লৱী বীৰ*
- প্ৰতিযোগিতাত গান গাওঁতে সংগত কৰিবলৈ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা তিনিগৰাকী বাদ্যযন্ত্ৰী (তবলা, হাৰমণিয়াম আৰু গীটাৰ) থাকিব। অৱশ্যে প্ৰতিয়োগীয়ে নিজাববীয়াকৈও বাদ্যযন্ত্ৰী লৈ আহিব পাৰিব। সৰ্ব্বোচ্চ তিনিগৰাকী বাদ্যযন্ত্ৰীয়েহে গান গাওঁতে সংগত কৰিব পাৰিব।
- প্ৰতিযোগিতাত কোনো ধৰণৰ ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব।
- বিষ্ণু প্ৰসাদ ৰাভাৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত গীতসমূহহে প্ৰতিযোগিতাৰ বাবে বিবেচিত হ'ব।
- বিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি বিবেচিত হ'ব।